**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

ৰাজ্যত ক্ৰীড়াৰ পৰিৱেশ উন্নীত কৰাৰ বাবে আজি বিয়লি চাৰে ৪ বজাত তৃতীয়টো উচ্চ মানসম্পন্ন ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন কৰা হ'ব। কোকৰাঝাৰত ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপন কেন্দ্ৰটোৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। তদুপৰি ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগ, অইল ইণ্ডিয়া লিমিটেড, নুমলীগড় ৰিফাইনেৰী লিমিটেড আদিৰ সহযোগত স্থাপন কৰা কেন্দ্ৰটোত উন্নত ক্ৰীড়া প্ৰযুক্তি, তৃণমূল পৰ্যায়ৰ এথলেটৰ বিভিন্ন সা-সুবিধা, তেওঁলোকৰ যোগ্যতা নিৰূপণ আদি ব্যৱস্থা থাকিব। ২৫ কোটি ৭০ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ক্ৰীড়া প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকিব।

ইপিনে, কোকৰাঝাৰ জিলাৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত আজি বড়োলেণ্ড চি ই এম কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাজলগাঁও দল কচুগাঁও দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ঘাঁহনি অঞ্চলত বিচৰণ কৰা পক্ষীৰ জৰীপ সম্পন্ন হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে এই কথা প্ৰকাশ কৰি এই জৰীপত মুঠ ৪৩ টা প্ৰজাতিৰ পক্ষীৰ বিচৰণ নিশ্চিত কৰিছে। ইয়াৰ ভিতৰত এটা অতি বিপন্ন আৰু দুটা বিপন্নপ্ৰায় প্ৰজাতিৰ পক্ষীৰ উপস্থিতি ধৰা পৰিছে বুলি তেওঁ প্ৰকাশ কৰে। সঞ্চালকগৰাকীয়ে কয়, যে প্ৰথমবাৰৰ বাবে কাজিৰঙাত হোৱা এই জৰীপৰ ফলাফল অতি সন্তোষজনক। বিপন্ন প্ৰজাতিৰ পক্ষীবিদ বেংগল ফ্লৰিকান বুলিও সঞ্চালকগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দুটা পদ্ধতিৰে এই জৰীপ চলোৱা হৈছিল। 'পইণ্ট কাউণ্ট' শীৰ্ষক জৰীপত প্ৰতি ১৫ মিনিটৰ মূৰে মূৰে ঘাঁহনি অঞ্চলত পক্ষীৰ জৰীপ চলায়। একেদৰে 'একষ্টিক' শীৰ্ষক জৰীপত পক্ষীৰ মাত যন্ত্ৰৰ দ্বাৰা বাণীবদ্ধ কৰা হয়। এই জৰীপত বিপন্ন প্ৰজাতিৰ ফিন্জ উইভাৰ বা টোকোৰা চৰাইৰ এটা প্ৰজনন ক'লনি কঁহৰা বনাঞ্চলত প্ৰত্যক্ষ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ লগতে বিজ্ঞানীৰ দল, দক্ষ পক্ষীৰ নিৰীক্ষক আৰু গৱেষকে এই জৰীপ সম্পন্ন কৰে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিবৃতিযোগে প্ৰকাশ কৰে। কাজিৰঙা আৰু ইয়াৰ আশে-পাশে পূব অসম, বিশ্বনাথ আৰু নগাঁও বন্যপ্ৰাণী সংমণ্ডলক সামৰি কৰা এই জৰীপ সন্দৰ্ভত উদ্যানখনৰ তৰফৰ পৰা প্ৰতিবেদন প্ৰকাশ কৰা হৈছে।

০০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আজি জিলা উন্নয়ন আয়ুক্তৰ সভাপতিত্বত পানী আৰু অনাময় মিছন, ২০২৫-২৬ বৰ্ষৰ দ্বিতীয়খন সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্তগৰাকীয়ে জলজীৱন মিছন

আৰু স্বচ্ছক সমন্বয়ৰ সৈতে একেলগে কাম কৰি পৰৱৰ্তী কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়ণ কৰাৰ আহ্বান জনায়। উল্লেখযোগ্য যে সভাত জিলাখনৰ জলজীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছনৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে ন্যায়াধীশ আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে আশুতোষ কুমাৰ পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ মুখ্য ন্যায়াধীশ বিজয় বিশ্বয়ক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কৰ্মৰত আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনাইছিল। কলেজিয়ামৰ অনুমোদনৰ ভিত্তিত কালি আইন আৰু ন্যায় মন্ত্ৰালয়ে আশুতোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ কেইবাজনো লোকে প্ৰাণ হেৰুওৱাৰ লগতে বহুলোক চিকিৎসাধীন হৈ আছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। নলবাৰীত ১৯, গোলাঘাট আৰু দৰঙত ১৮ জনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। ৰোগৰ ফলত কমেও ২৪ জন লোকৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০০

মৰাণ সাহিত্য সভাৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে অসম-অৰুণাচল সীমান্তৰ বৰডুমচাৰ গৰিয়সী উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা হৈছে। সভাপতি হৰকান্ত মহন্তই পতাকা উত্তোলন, সম্পাদক বিধান মৰাণে স্মৃতি তৰ্পণ আৰু শিক্ষাবিদ বলীন্দ্ৰ মহন্তই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা হৈছে। দিনৰ ভাগত হ'বলগীয়া মুকলি সভাত ছাত্ৰনেতা জ্যোতিমণি মৰাণ নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। সভাত কেইবাখনো গ্ৰন্থ উন্মোচন কৰাৰ লগতে বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিয়লি সাধাৰণ সভাত নতুন সমিতি গঠন কৰা হ'ব।

০০০০০০

আকৰ্ষণীয় পৰ্যায়ত উপনীত হোৱা লৰ্ডছ ক্ৰিকেট টেষ্টত ভাৰত ২২ ৰানত পৰাস্ত হৈছে। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ তৃতীয় টেষ্টখনৰ এই জয়ৰ সুবাদত ইংলেণ্ডে শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে। ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ নমা ভাৰতে সহজেই জয়ী হ'ব বুলি প্ৰথম অৱস্থাত বহুতেই ধাৰণা কৰিছিল যদিও ঘৰুৱা দলটোৱে চমকপ্ৰদ বলিঙেৰে ১৭০ ৰানতেই ভাৰতক সীমাবদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হয়।

পাঁচখনীয়া শৃংখলাৰ পৰৱৰ্তী খেলখন অহা ২৩ জুলাইত মানচেষ্টাৰত আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**